# REGIONAL NEWS UNIT

## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-03-2024
**Time :** 06-45 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::

১। অসম বিকাশ যাত্ৰাৰ অধীনত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ, বাক্সা আৰু ওদালগুৰিত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। উদ্বোধনৰ প্ৰাকমূহূৰ্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্মীয়মান বটদ্ৰৱা প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন।

৩। প্ৰথম অসমীয়া চলচ্চিত্ৰ **জয়মতী**ৰ ৮৯ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানৰ আয়োজন।

*আৰু*

৪। মহিলা প্ৰিমিয়াৰ লীগ প্ৰতিযোগিতাৰ এখন খেলত আজি দিল্লী কেপিটেলছ-ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি।

০০০

ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ উদ্দেশ্যেৰে হাতত লোৱা অভিলাষী কাৰ্যসূচী অসম বিকাশ যাত্ৰাৰ অধীনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক আৰু সাংসদে শোণিতপুৰ, মাজুলী, তিনিচুকীয়া, বাক্সা আৰু ওদালগুৰি জিলাত কেইবা কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমিপূজন কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ শৰ্মাই শোণিতপুৰৰ ঘোঁৰামাৰীত থকা হেমবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এখন জনসভাত অংশ লয়। অনুষ্ঠানটোত মুঠ এহেজাৰ ৩৪০ কোটি টকা ব্যয়সাপেক্ষ ৫৬টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৩০ কোটি টকা ব্যয়সাপেক্ষ ঢেকীয়াজুলি সমষ্টিৰ চিতলমাৰীত অৱস্থিত প্ৰথমখন চৰকাৰী আদৰ্শ আৱাসিক বিদ্যালয়ৰ প্ৰশাসনিক ভৱন, অতিথি গৃহ, ছাত্ৰাবাস, শিক্ষক তথা অধ্যক্ষৰ বাবে আবাস আৰু খেলপথাৰৰ উদ্বোধন কৰা হয়। এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, তেজপুৰৰ সাংসদ পল্লৱলোচন দাস, বিধায়ক পৃথ্বীৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু, কৃষ্ণকমল তাঁতী আৰু পদ্ম হাজৰিকাও উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সাৰ অদালবাৰী খেলপথাৰত অনুষ্ঠিত এখন জনসভাত অংশ লৈ মুঠ ৩০৮ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে।

বিকাশ যাত্ৰাৰ অংশ হিচাপে ওদালগুৰি জিলাৰ ভেৰগাঁও ষ্টেডিয়ামৰ পৰা মুখ্যমন্ত্ৰী ড০ শৰ্মাই উন্নয়ন আৰু সংযোগৰ বাবে অসম চৰকাৰৰ ধ্বজাবাহী আঁচনি অসম মালাকে ধৰি ৪৪৮ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে জৈৱ পৰ্যটনথলী বগামাটি আৰু বৰনদী বন্যপ্ৰাণী বনাঞ্চলক টংলাৰ সৈতে সংযোগ কৰিবলগীয়া ১৩২ কোটি টকা ব্যয়সাপেক্ষ ৩৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোৰ আধাৰশিলাও স্থাপন কৰে। অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু সাংসদ দিলীপ শইকীয়াও উপস্থিত থাকে।

আনফালে, বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে মাজুলীত ২২৩ কোটি টকা ব্যয়সাপেক্ষ ৩৯টা প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমি পূজন কৰে। এই অনুষ্ঠানত মন্ত্ৰী শ্ৰীমহনে মাজুলী-যোৰহাটৰ মাজত অফলামুখ আৰু নিমাতীঘাট সংযোগী এখন নৈশ ফেৰী সেৱাৰো শুভাৰম্ভ কৰে।

একেদৰে, তিনিচুকীয়া জিলাতো কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু ৰাজ্যৰ শ্ৰম তথা চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণে মুঠ ২৫৯ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী শ্ৰীতেলীয়ে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ অধীনৰ টিংৰাই ডোম গাঁৱত ২০২৩-২৪ বৰ্ষৰ কাৰণে নিৰ্ধাৰিত প্ৰায় ৭৮ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মিত জলজীৱন মিছনৰ পানীযোগান আঁচনি এখন মুকলি কৰে।

০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানখনত উপস্থিত হৈ বহু প্ৰত্যাশিত বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম পৰিদৰ্শন কৰে। অহা ১৪ মাৰ্চত প্ৰায় ১৮৮ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মীয়মান বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম মুকলি কৰাৰ লগতে দ্বিতীয় পৰ্যায়ৰ কামৰ শুভাৰম্ভণি কৰা হ'ব। উল্লেখযোগ্য যে, ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আনুষ্ঠানিকভাৱে এই প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছিল। অভিলাষী এই প্ৰকল্পত বিশ্বৰ সৰ্বোচ্চ গুৰুআসন, সত্ৰীয়া সংস্কৃতিক প্ৰতিফলিত হোৱা বিভিন্ন কাৰুকাৰ্য খটোৱা অতিথি গৃহ, সংগ্ৰহালয়, পুথিভঁৰাল, সংস্কৃতি চৰ্চা কেন্দ্ৰ, উদ্যান আদি নিৰ্মাণ কৰা হৈছে।

এই প্ৰকল্পটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতি আৰু বিভিন্ন কাম-কাজৰ খতিয়ান লোৱাৰ উদ্দেশ্যেৰে প্ৰকল্পস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, অসমৰ চহকী ঐতিহ্য আৰু সভ্যতাৰে সংপৃক্ত গৌৰৱ চিহ্নসমূহ পুনৰুদ্ধাৰৰ কাৰণে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিভিন্ন প্ৰচেষ্টা হাতত লৈছে। বটদ্ৰৱা প্ৰকল্পই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানখনৰ গৰিমা বিশ্ববাসীৰ আগত দাঙি ধৰিব।

০০০

শ্ৰোতাসকলে আঞ্চলিক বাতৰি শুনিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা। আপোনালোকে এই বাতৰিৰ লগতে শেহতীয়া তথ্য ফেচবুকৰ Airnews Ghy, ইউটিউবত Air News Guwahati, ইনষ্টাগ্ৰামৰ @airnews_guwahati,আৰু এক্সৰ @airnews_ghy যোগে শুনিব পাৰিব।

০০০

অসমীয়া চলচ্চিত্ৰৰ ৮৯ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আজি ৰাজ্যৰ ভিন্ন প্ৰান্তত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ১৯৩৫ চনৰ আজিৰ দিনটোতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা পৰিচালিত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ জয়মতীয়ে কলিকতাৰ ৰৌণক হলত মুক্তি লাভ কৰিছিল। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে চিনেমাখনৰ সৈতে জড়িত প্ৰতিগৰাকী কলা-কুশলীক শ্ৰদ্ধা জ্ঞাপন কৰে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই দেশৰ ভিতৰতে পুৰণি চিনেমা উদ্যোগটো পুনৰুজ্জীৱিত কৰিবলৈ অসম চৰকাৰে হাতত লোৱা চলচ্চিত্ৰ নীতিৰ বিষয়ে প্ৰকাশ কৰে। আনহাতে, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই বিগত ৮টা দশকত অসমীয়া চিনেমাই বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰিম কৰি আজি এক অন্যতম শক্তিশালী গণ মাধ্যমৰূপে বিবেচিত হৈছে বুলি উল্লেখ কৰে। সাম্প্ৰতিক সময়ত অসমৰ চলচ্চিত্ৰই কলাত্মক প্ৰকাশেৰে বিস্তৃত পৰিসৰলৈ সম্প্ৰসাৰিত হৈ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় স্তৰত ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, অসমীয়া চিনেমাৰ ৮৯ বছৰীয়া বৰ্ণিল যাত্ৰা উদযাপনৰ উদ্দেশ্যে গুৱাহাটী আৰ্টিষ্ট গিল্ডৰ সহযোগত এখন চলচ্চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে।

০০০

অসম চৰকাৰৰ পঞ্চদশ আয়োগৰ অধীনত সোণাৰি পৌৰসভা এলেকাত নৱনিৰ্মিত আৰু নিৰ্মাণ হ'বলগীয়া ৩৭টা উন্নয়নমূলক প্ৰকল্প আজি সাংসদ তপন কুমাৰ গগৈয়ে শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। চৰাইদেউ জিলাৰ সোণাৰি ৰাজহুৱা খেলপথাৰৰ সমীপত এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে সোণাৰী চহৰৰ সৰ্বাংগীণ উন্নয়নৰ বাবে পৰৱৰ্তী সময়তো এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰি চহৰখনক অচিৰেই অসমৰ এখন অগ্ৰগণ্য চহৰ কৰি গঢ়ি তোলা হ'ব বুলি মন্তব্য কৰে। অনুষ্ঠানত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি তথা স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০

নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে হাতত লোৱা অভিযানৰ অংশ হিচাপে গুৱাহাটী ৰে'লৱে আৰক্ষীয়ে আজি দুটা পৃথক অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰে। গুৱাহাটী ৰে'লৱে ষ্টেচনত নামনিমুৱা বাংগালুৰু এক্সপ্ৰেছত তালাচী চলাই ৰে'লৱে আৰক্ষীয়ে চাবোনৰ বাকচত লুকুৱাই থোৱা অৱস্থাত ব্ৰাউন চুগাৰ জব্দ কৰে। আন এক অভিযানত কামাখ্যা ৰে'ল ষ্টেচনত নিয়মীয়া সুৰক্ষা কাৰ্যৰ সময়ত ৰে'লৱে আৰক্ষীয়ে মণিপুৰ নিবাসী এজন লোকৰ পৰা বুজন পৰিমাণৰ হেৰ'ইন উদ্ধাৰ কৰে।

০০০

আইন শিক্ষাৰ ক্ষেত্ৰত পশ্চিম অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান বৰপেটা আইন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে আজি এটা বাৰেৰহণীয়া শোভাযাত্ৰা উলিওৱা হয়। মহাবিদ্যালয় চৌহদৰ পৰা আৰম্ভ হোৱা শোভাযাত্ৰাটো জিলা আয়ুক্ত তেজপ্ৰসাদ ভূষালে উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীভূষালে বিগত ৫০ বছৰত মহাবিদ্যালয়খনে অসমৰ ন্যায়িক ব্যৱস্থাটোলৈ আগবঢ়োৱা সেৱাৰ বিষয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে শোভাযাত্ৰাটোত অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ লগতে আইন ব্যৱস্থাৰ বিভিন্ন দিশ উপস্থাপন কৰা হয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া **চলন্তিকা** অনুষ্ঠানত কোৰিয়ান সংগীত শিল্পী অ'ৰাৰ সৈতে হোৱা এটা কথোপকথন প্ৰচাৰ কৰা হ'ব। তেখেতৰ সৈতে কথা পাতিব মানস প্ৰতীম শৰ্মাই।

০০০

মহিলা প্ৰিমিয়াৰ লীগ প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহি কেপিটেলছ্ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি হ'ব। নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব। উল্লেখযোগ্য যে, ডেলহি কেপিটেলছ্ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ তৃতীয় স্থানত আছে।

০০০

ছিপাঝাৰ ষ্টেডিয়ামত অহা ১৩ মাৰ্চৰ পৰা চতুৰ্থ বাৰ্ষিক ডাঃ টি আও আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ছিপাঝাৰ ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত মুঠ ৪টা দলে অংশগ্ৰহণ কৰিব বুলি প্ৰতিযোগিতাখনৰ আয়োজক সমিতিৰ তৰফৰ পৰা জানিবলৈ দিছে। ডাঃ টি আও শতবৰ্ষ সমাৰোহ সমিতিৰ সভাপতি স্বপ্নীল বৰুৱা আৰু ছিপাঝাৰ ক্ৰীড়া সন্থাৰ সভাপতি বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে আয়োজক সমিতিৰ হৈ প্ৰতিযোগিতাত প্ৰতিদিনে দুখনকৈ লীগ মেচ অনুষ্ঠিত হ'ব বুলি অৱগত কৰে। প্ৰতিযোগিতাখনৰ চুড়ান্ত খেলখন ১৭ মাৰ্চৰ বিয়লি ২ বজাৰ পৰা ছিপাঝাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, উত্তৰ পূবৰ প্ৰথমজন অলিম্পিয়ান আৰু ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত ভাৰতৰ ফুটবল দলক নেতৃত্ব দিয়া ডাঃ টি আওৰ স্মৃতিত বিগত তিনি বছৰ ধৰি এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰি অহা হৈছে।

০০০

কামৰূপ জিলাৰ হাজোৰ নিকটৱৰ্তী বৰ্ণিত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে অন্য ২০ জন লোক গুৰুতৰভাৱে আহত হয়। আহতসকলৰ ভিতৰত ১০ জনক সংকটজনক অৱস্থাত নলবাৰী আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া অসম ভ্ৰমণ, নিৰ্বাচন আয়োগৰ দলৰ ৰাজ্যখন ভ্ৰমণ কৰি নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা, অসমৰ ১২ গৰাকীকে ধৰি মুঠ ৯৪ গৰাকী ব্যক্তিক সংগীত নাটক একাডেমী বঁটা প্ৰদানৰ লগতে ভালেসংখ্যক গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

উত্তৰ-পূবৰ ৰাজ্যসমূহৰ দ্ৰুত বিকাশৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে ঔদ্যোগিক তন্ত্ৰ গঢ়ি তোলাৰ লগতে কেইবাটাও উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি যোৰহাটত প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যত মুঠ ১৭ হাজাৰ ৫০০ কোটি টকাৰ ১২ টা বৃহৎ প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰে।

আনহাতে প্ৰধানমন্ত্ৰীগৰাকীয়ে হোলোঙাপথাৰত লাচিত বৰফুকন মৈদাম উন্নয়ন প্ৰকল্পৰ অধীনত আহোম ৰাজত্বকালৰ মহান যোদ্ধা তথা অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য, সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ ৮৪ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। শ্ৰীমোদীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানো পৰিদৰ্শন কৰে।

০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসমৰ পৰিস্থিতিৰ বুজ লোৱাৰ বাবে ৰাজ্যখনত উপস্থিত হোৱা কেন্দ্ৰীয় নিৰ্বাচন আয়োগৰ তিনিজনীয়া দলটোৱে যোৱা ৬ মাৰ্চত ৰাজ্যৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে আলোচনাত মিলিত হয়। দলটোৱে প্ৰতিখন জিলাৰ নিৰাপত্তাৰ দিশ, নিৰ্বাচনৰ প্ৰস্তুতি তথা আইন-শৃংখলা পৰিস্থিতি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। নিৰ্বাচনৰ প্ৰস্তুতি বুজ লোৱাৰ উদ্দেশ্যে উপ-নিৰ্বাচন আয়ুক্ত হৃদেশ কুমাৰৰ নেতৃত্বত যোৱা ৫ মাৰ্চত আয়োগৰ এই তিনিজনীয়া দলটো গুৱাহাটীত

উপস্থিত হৈছিল। ৫ মাৰ্চৰ নিশাই দলটোৱে জনতা ভৱনত দুখনকৈ বৈঠকত অংশগ্ৰহণ কৰে। প্ৰথমখন বৈঠকত ৰাজ্যিক নিৰ্বাচন বিষয়া, অৰ্ধ-সামৰিক বাহিনীৰ মুৰববী, আয়কৰ বিভাগ, কৰ বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ চোৰাংচোৰা সংস্থাকে ধৰি আন কেইবাটাও সংস্থাৰ সৈতে বৈঠকত মিলিত হয়। দ্বিতীয়খন বৈঠকত দলটো ৰাজ্যৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ সৈতে আলোচনাত মিলিত হয়। মূলতঃ ৰাজ্যৰ ১৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সহযোগিতা তথা সুৰক্ষা দিশসমূহ এই বৈঠকত বিতংভাৱে আলোচনা কৰা হয়।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা ৬ মাৰ্চত নতুন দিল্লীত ৯৪ গৰাকী বিশিষ্ট শিল্পীক ২০২২ আৰু ২০২৩ বৰ্ষৰ সংগীত নাটক অকাডেমী বঁটা প্ৰদান কৰে। সংগীত, নৃত্য, নাটক, লোক আৰু জনজাতীয় কলা, পুতলা নাচ আৰু আনুষংগিক নাট্য কলাৰ ক্ষেত্ৰত আগবঢ়োৱা অভূতপূৰ্ব বৰঙণিৰ বাবে এই বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে অনুষ্ঠানত ৭ গৰাকী আগশাৰীৰ শিল্পীক সংগীত নাটক অকাডেমী জলপানি অকাডেমী ৰত্নও প্ৰদান কৰে। সংগীত নাটক অকাডেমী জলাপানি আগশাৰীৰ শিল্পীসকলক পৰিবেশ্য কলাৰ ক্ষেত্ৰত আগবঢ়োৱা অভূতপূৰ্ব বৰঙণিৰ বাবে প্ৰদান কৰা সৰ্বোচ্চ সন্মান। অসমৰ ১২ গৰাকী বিশিষ্ট শিল্পীলৈ ২০২২ আৰু ২০২৩ বৰ্ষৰ বাবে সংগীত নাটক অকাডেমী ফেল'শ্বিপ, বঁটা আৰু সন্মান আগবঢ়োৱা হয়। ৰাজ্যৰ এগৰাকী প্ৰথিতযশা নাট্য শিল্পী দুলাল ৰয়ক সংগীত নাটক একাডেমীৰ ফেল' সন্মান প্ৰদান কৰা হয়।।

আনহাতে শিক্ষাবিদ, কবি, গীতিকাৰ তথা কণ্ঠশিল্পী লক্ষহীৰা দাসক পৰিবেশ্য কলাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে একাডেমীৰ ২০২২ বৰ্ষৰ জলপানি প্ৰদান কৰা হয়। একেটা বৰ্ষৰ বাবে সত্ৰীয়া নৃত্য শিতানত গোবিন্দ শইকীয়া, অংকীয়া ভাওনাৰ বাবে কৰুণা বৰা, নাটকৰ নিৰ্দেশনা শিতানত গুণাকৰ দেৱগোস্বামী আৰু পৰম্পৰাগত তথা লোক সংগীতৰ শিতানত তৰাৱতী বৰিয়ে সংগীত নাটক অকাডেমীৰ পুৰস্কাৰ লাভ কৰে। ২০২৩ বৰ্ষৰ বাবে সত্ৰীয়া নৃত্য শিতানত ভৱেন বৰবায়নলৈ এই পুৰস্কাৰ আগবঢ়োৱা হৈছে।

০০০

কামৰূপ মহানগৰ জিলাৰ নিৰ্বাচন শুভংকৰ **কদমী** আৰু **টোঁটোলা** যোৱা ৮ মাৰ্চত উন্মোচন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসত  পূৰ্ণিমা দেৱী বৰ্মনৰ নেতৃত্বত বহু মহিলাই হাড়গিলা চৰাইৰ সংৰক্ষণৰ বাবে কৰি অহা প্ৰচেষ্টাৰ প্ৰতি সন্মান জনাই সমাগত লোকসভা নিৰ্বাচনৰ বাবে এই শুভংকৰ মুকলি কৰা হয়। জিলা নিৰ্বাচন বিষয়া তথা আয়ুক্ত সুমিত ছত্তৱান, জিলা নিৰ্বাচন আইকনদ্বয় জনপ্ৰিয় অভিনেতা দিগন্ত হাজৰিকা আৰু বন্যপ্ৰাণী সংৰক্ষণ কৰ্মী পূৰ্ণিমা দেৱী বৰ্মনে শুভংকৰ দুটা মুকলি কৰে। উল্লেখযোগ্য যে নিৰ্বাচনত ৰাইজক ভোটদানৰ প্ৰতি সজাগ আৰু আগ্ৰহী কৰি ভোটদানৰ হাৰ বৃদ্ধিৰ লক্ষ্যৰে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটগ্ৰহণত অংশগ্ৰহণ চমুকৈ **ছুইপ** শীৰ্ষক কাৰ্যসূচীৰ অধীনত এই পদক্ষেপ লোৱা হৈছে।

০০০

সমাগত লোকসভা নিৰ্বাচনৰ সময়ত ক'লা ধনৰ লেনদেন বন্ধ কৰাৰ লক্ষ্যৰে উত্তৰ-পূৰ্বাঞ্চলৰ আয়কৰ বিভাগৰ তদন্তকাৰী সঞ্চালকালয়ে এটা বিশেষ দলক নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰিছে। এই দলটোৱে ৰাজ্যৰ ৰাজধানী চহৰসমূহত ২৪ ঘণ্টা মুকলি থকা এটা নিয়ন্ত্ৰণ কক্ষৰ সহায়ত এনেধৰণৰ অভিযোগ নাইবা তথ্য গ্ৰহণ কৰিব। তদুপৰি বিমান বন্দৰসমূহত চোৰাংচোৱা গোটে এনে ধৰণৰ দায়িত্ব নিৰ্বাহত নিয়োজিত

থাকিব। দেশৰ নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জাৰি কৰিবলগীয়া নিৰ্দেশনা অনুসৰি হিচাপ বিহীন নগদ ধনৰ লেনদেন এই গোটসমূহে নিৰীক্ষণ কৰিব।

০০০

কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৪ মাৰ্চত গোৱালপাৰা জিলাৰ দুধনৈত নিৰ্মাণ হ'বলগীয়া ৰাজ্য দ্বিতীয়খন আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় স্থাপন হোৱাৰ পাছত ৰাজ্যৰ স্বাস্থ্য খণ্ডলৈ আমূল পৰিৱৰ্তন আহিব বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যৰ একাধিক আয়ুৰ্বেদিক চিকিৎসালয় নিৰ্মাণ কৰাৰ লগতে নিৰ্মিয়মান অৱস্থাত আছে বুলি তেওঁ কয়। একেটা অনুষ্ঠানতে তেওঁ ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰ আৰু বাক্সাত নিৰ্মাণ হ'বলগীয়া ৫০খন বিছনাযুক্ত দুখন চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে।

০০০

থাইলেণ্ডত অনুষ্ঠিত এছিয়ান ল'ন বল ছেম্পিয়নশ্বিপত জাতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ নয়নমণি শইকীয়া আৰু বনগিতা হাজৰিকাই ডাবল ইভেণ্টত সোণৰ পদক জয় কৰিছে। অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক নয়নমণি শইকীয়াক এই সফলতাৰ বাবে আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে অভিনন্দন জ্ঞাপন কৰে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহৰ চমু অৱলোকন।

০০০

সমাপ্ত